**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-JAN-2026
**Time :** 1205 HRS

***Assamese Midday Bulletin***

১। ব্যাপক উছাহ-উদ্দীপনাৰে ৰাজ্যত ভোগৰ উৎসৱ ভোগালী বিহু পালন। অসূয়া-অপ্ৰীতি নাশ কৰি সম্প্ৰীতিৰ কামনাৰে ৰাইজৰ মেজি জ্বলাই অগ্নি সেৱা।

২। চাহ জনগোষ্ঠীসকলৰ অন্যতম প্ৰধান উৎসৱ টুচু পূজাৰ আজি সামৰণি।

৩। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি পশ্চিম কাৰ্বি আংলঙত মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ

**আৰু**

৪। ৰাজকোটত আজি ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল।

০০০০০০

অসমীয়াৰ বাপতি সাহোন ভোগালী বিহু উপলক্ষে সমগ্ৰ ৰাজ্যতে ব্যাপক উছাহ-উদ্দীপনাৰ পৰিৱেশ বিৰাজ কৰিছে। আজি পুৱাই ৰাইজে মেজি জ্বলাই অগ্নিক সেৱা কৰি নেদেখাজনৰ আশিস লয়। ইয়াৰ পাছতে কনিষ্ঠজনে জ্যেষ্ঠজনক সেৱা জনাই আশীৰ্বাদ লয়। সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক ভোগালী বিহুৰ মেজিৰ জুয়ে সমাজৰ পৰা অসূয়া অপ্ৰীতি দূৰ কৰি শান্তি আৰু সম্প্ৰীতি কঢ়িয়াই অনাৰ বাবে ৰাইজে কামনা কৰে।

ভোগালী বিহু উপলক্ষে ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য্য, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাজ্যপালগৰাকীয়ে এটা বাৰ্তাত ভোগালী বিহুক অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ অমূল্য সম্পদ বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ বাৰ্তাত কয় যে অসমীয়া সংস্কৃতিৰ শ্ৰেষ্ঠত্বক প্ৰতিফলিত কৰা এই উৎসৱ আনন্দ আৰু ভাতৃত্ববোধৰ উপলক্ষ। এই উৎসৱে কঠোৰ পৰিশ্ৰমী কৃষকসকলৰ প্ৰচেষ্টাৰ শলাগ লোৱাৰ সুযোগ দিয়ে বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰী ডং শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ভোগালী বিহুক কৃষিজীৱী চহা সমাজৰ প্ৰাপ্তিৰ আনন্দৰে সমৃদ্ধ তথা অসমীয়াৰ স্পন্দন বুলি অভিহিত কৰে। তেওঁ লগতে সকলোৰে জীৱন সুখ-শান্তি আৰু প্ৰাচুৰ্যৰে ভৰি পৰাৰো কামনা কৰে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভোগালী বিহু পালনৰ বাতৰি আমালৈ আহি আছে। সত্ৰ পীঠ মাজুলীত আজি পুৱতি নিশা ৰাইজে মেজি জ্বলাই অগ্নি দেৱতাৰ সেৱা লয়। উজনি মাজুলীৰ চিৰাম দেৱোত্তৰ গাঁৱৰ মিছিং ৰাইজে চিৰাম দেৱোত্তৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত সমজুৱাকৈ আয়োজন কৰা ভোগালী বিহুস্থলীত উৰুকাৰ নিশা ভোজ ভাত খাই আজি পুৱাতে পৰম্পৰা ৰক্ষা কৰি নীতি নিয়মৰ মাজেৰে মেজিত অগ্নি সংযোগ কৰে। দুটাকৈ মেজি সাজি পুৰুষ মেজিৰ ৰূপে প্ৰথমটো মেজি জ্বলাই অগ্নি দেৱতাৰ শলাগ লোৱা হয়। ইয়াৰ কিছু পাছতেই মহিলা মেজিটো জ্বলাই বছৰটোত একো অপায় অমংগল নহ'বলৈ পুনৰবাৰ অগ্নি দেৱতাৰ আশীৰ্বাদ লোৱা হয়। মাজুলীৰ ঐতিহাসিক শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰৰ উদাসীন ভকত বৈষ্ণৱসকলেও পৰম্পৰা ৰক্ষা কৰি মেজি জ্বলাই ভোগালী বিহু উদযাপন কৰিছে।

ডিব্ৰুগড় জিলাতো মাঘৰ সংক্ৰান্তি আৰু ভোগালী বিহু উপলক্ষে অগ্নি দেৱতাৰ পূজা অৰ্চনা কৰা হয়। গাঁৱৰ ৰাইজে মেজিত জুই পুৱাই মাহ-প্ৰসাদ খোৱাৰ লগতে ৰাজহুৱা সেৱা গ্ৰহণ কৰে। জিলাখনৰ বিভিন্ন অঞ্চল নিশাতে ভোজভাত খোৱা হ'ল যদিও আজিও মটক জনগোষ্ঠী প্ৰধান অঞ্চলসমূহত জনগোষ্ঠীটোৰ পৰম্পৰা অনুযায়ী ৰাজহুৱা ভোজৰ আয়োজন কৰা হৈছে।

গোৱালপাৰাতো ৰাভা অধ্যুষিত অঞ্চলসমূহকে ধৰি দুধনৈ, কৃষ্ণাই, ধূপধৰা আদি সকলোতে ভোগৰ উৎসৱ উপলক্ষে আনন্দ মুখৰ পৰিৱেশে বিৰাজ কৰিছে। শিলডাঙা ইলোৰাপাৰাত আজি পুৱা মেজি জ্বলোৱাৰ পাছত দিনৰ ভাগলৈ বিভিন্ন পৰম্পৰাগত খেল-ধেমালি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

বৰাক উপত্যকাৰ তিনিওখন জিলাত আজি মকৰ সংক্ৰান্তি আৰু ভোগালী বিহু উপলক্ষে ব্যাপক উৎসাহ উদ্দীপনাই বিৰাজ কৰিছে। কাছাৰ জিলাত উৎসৱ মুখৰ পৰিৱেশৰ মাজত আজি পুৱা মেজি জ্বলাই অগ্নি দেৱতাৰ সেৱা লয়। জিলাৱাসীয়ে ঘৰে ঘৰে প্ৰস্তুত কৰা পিঠা পনাৰে আজি মকৰ সংক্ৰান্তি আৰু ভোগালী বিহু উদযাপন কৰিছে। বৰাকৰ উৎসৱ-মুখৰ পৰিৱেশটিৰ সৱিশেষ বৰ্ণনাৰে এয়া আমাৰ শিলচৰৰ সংবাদদাতা আঁখী দাস।

ধুবুৰীতো ভোগালী বিহুক লৈ আনন্দ মুখৰ পৰিৱেশে বিৰাজ কৰিছে। ঠায়ে ঠায়ে মেজি জ্বলোৱাৰ লগতে শ্ৰীশ্ৰীধাম ৰাইৰায়কুটি সত্ৰ, জিনকাটা সত্ৰ আদি সত্ৰ-নামঘৰসমূহত নাম-কীৰ্তনৰ আয়োজন কৰা হৈছে।

**কাৰ্বি আংলং** জিলাত ব্যাপক উছাহ-উদ্দীপনাৰে ভোগালী বিহু পালন কৰা হৈছে। জিলাখনৰ ডিফু ক্লাবত পুৱা মেজি জ্বলাই ৰাইজে সমূহীয়াভাৱে অগ্নি সেৱা কৰাৰ লগতে সমাজৰ পৰা অপায়-অমংগল দূৰ কৰি ভাতৃত্ববোধৰ এনাজৰী দৃঢ় কৰাৰ কামনা কৰে। ডিফু ক্লাবৰ উদ্যোগত প্ৰীতি চাহ মেলৰ আয়োজন কৰাৰ লগতে কণ কণ শিশুসকলৰ মাজত বিভিন্ন খেল-ধেমালি অনুষ্ঠিত হয়।

**বৰপেটা** জিলাত আজিৰে পৰা সত্ৰকেন্দ্ৰিক পৰম্পৰাৰে বিহু পালন কৰা হৈছে। বৰপেটা আৰু ইয়াৰ সমীপৱৰ্তী স্থানসমূহত আজি উৰুকা তথা স্থানীয় ভাষাত **গাতা ৰখা** উদযাপন কৰা হৈছে। জিলাখনত কাইলৈ অৰ্থাৎ পহিলা মাঘত মেজি জ্বলোৱা হ'ব। নিয়ম অনুসৰি কাইলৈ বৰপেটা সত্ৰৰ টুপৰ চোতালত ভকতসকলে সজা মেজিত অগ্নিসংযোগ কৰাৰ পাছতহে সত্ৰৰ বাহিৰৰ স্থানসমূহত সজা মেজি জ্বলোৱা হ'ব। সত্ৰনগৰী বৰপেটাৰ মাঘ বিহু উৎসৱৰ বিষয়ে এয়া আমাৰ সংবাদদাতা অৰূপ জ্যোতি মহন্তৰ প্ৰতিবেদন-

ভইচ কাষ্ট

বৰপেটা সত্ৰৰ উপৰি জিলাখনৰ আন আন সত্ৰ আৰু থানসমূহত কেইবাদিনীয়া কাৰ্যসূচীৰে মাঘ বিহু উদযাপন কৰা হৈছে। সৰভোগৰ শ্ৰীশ্ৰীগৰখীয়া গোসাঁই থানত মাঘ বিহুৰ সৈতে সংগতি ৰাখি নাম প্ৰসংগ, ভাগৱত পাঠ, ধৰ্মালোচনা সভা আদি কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

oooooo

মকৰ সংক্ৰান্তিৰ সৈতে সংগতি ৰাখি পালন কৰা চাহ জনগোষ্ঠীসকলৰ অন্যতম প্ৰধান উৎসৱ টুচু পূজাৰো আজি সামৰণি পৰিব। পুহ মাহত আৰম্ভ হোৱা বাবে এই উৎসৱক পৌৰ পৰব বুলিও জনা যায়। শস্যৰ দেৱী টুচুৰ আৰাধনাৰে ডিব্ৰুগড় জিলাৰ চাহ জনগোষ্ঠীৰ লোকসকলে আজি টুচু পূজা পালন কৰিছে।

ভইচ কাষ্ট (যাদৱ গগৈ)

যোৰহাট জিলাতো চেনিমৰা, সৰুচৰাই, দকলঙীয়াৰ দৰে বাগানসমূহত এই পূজাৰ উলহ-মালহেৰে আয়োজন কৰা হৈছে।

উল্লেখযোগ্য যে, কোনো ক্ষেত্ৰত শিৱৰ জীয়েক, মনসাৰ ভনীয়েক, কালী, দুৰ্গা, সীতাৰ দৰে শক্তিৰ ৰূপত কল্পনা কৰা টুচু পূজাত প্ৰধানত মহিলাসকলে অংশগ্ৰহণ কৰে। অৱশ্যে পূজাৰ লগত সংগতি থকা ৰং ৰহইচত পুৰুষেও অংশগ্ৰহণ কৰিব পাৰে। এই পূজা দুভাগত, ঘৰ আৰু নদীৰ পাৰত অনুষ্ঠিত কৰা হয়। পুহ মাহৰ পৰা চাহ জনগোষ্ঠীৰ গাভৰুসকলে এক গোট হৈ টুচু মাতৃৰ অৰ্চনা কৰে। পুহৰ শেষৰ ৰাতিটোত অৰ্থাৎ আজিৰ দিনটোত গাভৰুসকলৰ লগতে ডেকাসকলেও ওৰে নিশা উজাগৰে থাকি টুচু গীত গায়। ৰাতিপুৱাৰ লগে লগে টুচু দেৱীৰ মূৰ্তি গাঁৱৰ প্ৰতিঘৰত দৰ্শন কৰাই নদীৰ ঘাটলৈ লৈ যোৱা হয়। নৈৰ ঘাটত বিভিন্ন ঠাইৰ পৰা টুচুৰ গোট খাই গীতৰ প্ৰতিযোগিতা আয়োজন কৰা হয়। শেষত টুচু দেৱীক জলদেৱতাক সাক্ষী কৰি বিসৰ্জন দিয়া হয়।

oooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিম কাৰ্বি আংলঙৰ বৈঠালাংচ'ৰ আমৰি বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰে। সমষ্টিটোৰ প্ৰায় ১৪ হাজাৰ মহিলাক উদ্যমিতা পুঁজিৰূপে ১০ হাজাৰকৈ টকা আগবঢ়োৱা হ'ব। অনুষ্ঠানত কাৰ্বি স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং তথা ডিফু লোকসভা সমষ্টিৰ সাংসদ অমৰছিং টিছো উপস্থিত আছে। মুখ্যমন্ত্ৰীয়ে আজি ডিফুতো উদ্যমিতা আঁচনিৰ অধীনত ২৫ হাজাৰ মহিলাৰ মাজত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰিব।

০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত দিনৰ ডেৰ বজাত অনুষ্ঠিত হ'ব। যোৱা দেওবাৰে বদোদৰাত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত নিউজিলেণ্ডক ৪ উইকেটত পৰাস্ত কৰি ভাৰতে শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰিছে। শৃংখলাৰ পৰৱৰ্তী তথা চূড়ান্ত খেলখন অহা দেওবাৰে ইন্দোৰত অনুষ্ঠিত হ'ব।

০০০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশা নৱী মুম্বাইত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে গুজৰাট জায়েণ্টছক ৭ উইকেটত পৰাস্ত কৰে। ডি ৱাই পাটিল স্পৰ্টছ একাডেমীত অনুষ্ঠিত খেলখনত দলটোৱে ১৯৩ ৰানৰ বিজয় লক্ষ্য ১৯ অভাৰত আৰু দুটা বলত ৩টা উইকেট হেৰুৱাই অতিক্ৰম কৰে। মুম্বাইৰ হৈ অধিনায়ক হৰমনপ্ৰীত কৌৰে সৰ্বাধিক ৭১ ৰান কৰে। কৌৰলৈ খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আগবঢ়োৱা হয়।

ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰাৰ আমন্ত্ৰণ লাভ কৰি গুজৰাটে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৯২ ৰান কৰিছিল। জৰ্জিয়া ৱেৰহামে সৰ্বাধিক ৪৩ ৰান কৰি আউট নোহোৱাকৈ থাকে।

০০০০০০

২০২৬ বৰ্ষৰ ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফী কালি গুৱাহাটীলৈ অনা হয়। এই সন্মান্য ট্ৰফীক ৰাজ্য চৰকাৰৰ ক্ৰীড়া বিভাগৰ উদ্যোগত লোক কৃষ্টি সংস্কৃতিৰ প্ৰদৰ্শনেৰে আদৰণি জনোৱা হয়। পুৱাৰ ভাগত বিমানবন্দৰৰ পৰা এই ট্ৰফী সৰুসজাই ষ্টেডিয়ামলৈ আৰু বিয়লিৰ ভাগত বৰ্ষাপাৰাস্থিত এ চি এ ষ্টেডিয়ামলৈ নিয়া হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিশা এই ট্ৰফী মুকলি কৰে। এই কাৰ্যসূচীত প্ৰাক্তন বিশ্বকাপ বিজয়ী তথা ফিফাৰ প্ৰতিনিধি গিলবাৰ্টো আপাৰেচিড' দা ছিল্‌ভা উপস্থিত থাকে। বিশ্বকাপ ফুটবলৰ ট্ৰফীৰ আগমন উপলক্ষে এটি সংগীতানুষ্ঠানৰো আয়োজন কৰা হয়। এই অনুষ্ঠানত ৰিতু ৰিবা, শংকুৰাজ, অনুভৱ জৈন, অনুষ্কা মাস্কিয়ে অংশগ্ৰহণ কৰে। ১২ বছৰৰ অন্তত ভাৰতলৈ আৰু প্ৰথমবাৰলৈ ৰাজ্যলৈ অনা এই ট্ৰফী বৰ্ষাপাৰাৰ ষ্টেডিয়ামত দৰ্শনৰ বাবে ৰাজ্য চৰকাৰে বিনামূলীয়াকৈ ৮-১০ হাজাৰ অনুমতি পত্ৰৰ ব্যৱস্থা কৰিছে।

০০০০০০

**সমাপ্ত**